**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-05 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**::::::::::::::::::**

১। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

২। দেশৰ বিভিন্ন প্ৰান্তত ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান অব্যাহত আছে।

৩। কেন্দ্ৰীয় আইন আৰু ন্যায় ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত ন্যায় প্ৰদানৰ লক্ষ্যৰে ঔপনিবেশিক যুগৰ ফৌজদাৰী ন্যায় ব্যৱস্থাৰ ৰূপান্তৰ সাধন কৰিছে।

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ২৭ ৰানত পৰাস্ত কৰে।

**আৰু**

৫। ভাৰতৰ বিক্ৰান্ত মাল্লিকে পৰ্টুগালৰ লিছবনত অনুষ্ঠিত মিটিং সিডেড দি লিছবোৱা ২০২৪ এথলেটিকছ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰ'ত খিতাপ অৰ্জন কৰিছে।

০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত কাইলৈ ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযানৰ কালি বিয়লি সামৰণি পৰে। প্ৰচাৰৰ অন্তিম দিনটোত ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ চেষ্টা চলায়।

ইপিনে দেশৰ বিভিন্ন প্ৰান্তত ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান অব্যাহত আছে। ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগত পৰৱৰ্তী পৰ্যায়ৰ বাবে কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। তেওঁ আজি দুপৰীয়াৰ ভাগত পুৰুলীয়া লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাব। বিয়লিৰ ভাগত শ্ৰীমোদীয়ে বাৰুকা জিলাৰ বিষ্ণুপুৰ আৰু মেডিনিপুৰ লোকসভা সমষ্টিৰ খড়গপুৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি কয় যে, এইবাৰৰ সাধাৰণ নিৰ্বাচন স্বজনপ্ৰীতি তথা পক্ষপাতিত্বৰ মানসিকতা আৰু দেশক দুৰ্বল কৰিব বিচৰা শক্তিসমূহক পৰাস্ত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। কালি সন্ধিয়া উত্তৰ পূব দিল্লীত এখন নিৰ্বাচনী সভাত ভাষণ দি তেওঁ কয় যে, ভাৰতীয় ৰাজনৈতিক

ব্যৱস্থাক এখন স্থিৰ চৰকাৰৰ প্ৰয়োজন। ৰাষ্ট্ৰীয় ৰাজধানীখন বিশ্বৰ আকৰ্ষণৰ কেন্দ্ৰ হোৱা উচিত বুলি উল্লেখ কৰি তেওঁ কয় যে, জি-২০ শীৰ্ষ সন্মিলনৰ সময়ত দিল্লীৰ পৰিৱৰ্তন দেখি বিশ্বৰ নেতাসকলক বিস্মিত হৈছিল। শ্ৰীমোদীয়ে কয় যে, ভাৰত মণ্ডপম আৰু য়শ্বভূমিৰ দৰে আধুনিক সন্মিলন গৃহৰ লগতে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰক আৰু নতুন সংসদভৱনে দিল্লীক এতিয়া উজ্বলাই তুলিছে। শ্ৰীমোদীয়ে লগতে আই এন ডি আই মিত্ৰজোঁটক বিকাশমূলক কামকাজত বাধা সৃষ্টি কৰা বুলি সমালোচনা কৰে।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই সজোৰে কৈছে যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এখন শক্তিশালী চৰকাৰে বিগত ১০ বছৰত বিকাশৰ নতুন মাপকাঠি নিৰ্ণয় কৰিছে। কাংৰা সংসদীয় আসনখনৰ অধীনৰ চাম্বা আৰু ফতেহপুৰত ভাষণ দি দলীয় প্ৰাৰ্থীৰ হৈ ভোট দিবলৈ তেওঁ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। কংগ্ৰেছে স্বজন-তোষণৰ ৰাজনীতিক উদগণি দিয়া বুলি অভিযোগ তুলি তেওঁ কয় যে, বিৰোধী দলসমূহে কেৱল তেওঁলোকৰ স্বাৰ্থৰ উদ্দেশ্যে আই এন ডি আই মিত্ৰজোঁট গঠন কৰিছে। তেওঁ কয় যে, বিৰোধীসকলৰ কোনো সুসংহত কাৰ্যসূচী নাই আৰু বৰ্তমান সকলোবোৰ বিৰোধী দলেই কোনো নেতা আৰু নীতি অবিহনে তেওঁলোকৰ কাম কাজ চলাই আছে।

নাড্ডাই কয় যে, মোদী চৰকাৰৰ সহায়ত হিমাচল প্ৰদেশত পথ যোগাযোগ ব্যৱস্থা যথেষ্ট উন্নত হৈছে। তেওঁ লগতে কয় যে, কিষাণ সন্মান নিধি, আয়ুষ্মান ভাৰত আৰু প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ লেখীয়া কল্যাণমূলক আঁচনিসমূহে সমগ্ৰ দেশৰ কোটি কোটি জনসাধাৰণক লাভান্বিত কৰিছে। তেওঁ ব্যাপক সংখ্যাগৰিষ্ঠতাৰে বিজেপিৰ প্ৰাৰ্থীৰ সমৰ্থনত ভোট দিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। তেওঁ কয় যে, মোদীৰ নেতৃত্বত ভাৰত আনৰ পৰা সহায় বিচৰা দেশৰ পৰিৱৰ্তে আনক সাহায্য প্ৰদান কৰিব পৰা দেশলৈ উন্নীত হৈছে। নীতি আয়োগে প্ৰকাশ কৰা মতে বিগত বছৰসমূহত ২৫ কোটিৰো অধিল লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে আৰু ইয়ে ভাৰতৰ পৰিৱৰ্তিত প্ৰতিচ্ছবিকেই প্ৰতিফলিত কৰিছে।

ইয়াৰ পাছত শ্ৰীনাড্ডাই কুনিহাৰত আন এটা নিৰ্বাচনী ৰেলীক সম্বোধন কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ৰাজনৈতিক সংস্কৃতিৰ পৰিৱৰ্তন সাধন কৰিছে আৰু উন্নয়নকেন্দ্ৰিক ৰাজনীতিৰ নেতৃত্ব দিছে। মোদী চৰকাৰে মহিলা, দৰিদ্ৰ, অৱহেলিত তথা পিছপৰা সম্প্ৰদায়ৰ উন্নয়ন সুনিশ্চিত কৰিছে বুলিও তেওঁ লগতে উল্লেখ কৰে।

ooooo

জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কালি কয় যে, সংবিধান ৰক্ষা কৰাই আই এন ডি আই মিত্ৰজোঁটৰ প্ৰথম লক্ষ্য হ'ব। নতুন দিল্লীৰ ৰামলীলা ময়দানত এখন নিৰ্বাচনী সভাক সম্বোধন কৰি শ্ৰীগান্ধীয়ে শাসনাধিষ্ঠ দলে সংবিধানখনক দুৰ্বল কৰিব বিচাৰিছে বুলি অভিযোগ তোলে। তেওঁ লগতে নৰেন্দ্ৰ মোদী চৰকাৰে ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ বাবে একো কৰা নাই বুলি অভিযোগ তুলি কয় যে, নিৰ্দিষ্ট উদ্যোগপতিসকলকহে ১৬ লাখ কোটি টকাকৈ দিছে। শ্ৰীগান্ধীয়ে নিৰ্বাচনী বণ্ড আৰু নিবনুৱা সমস্যাক লৈও বিজেপিক সমালোচনা কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে, এইবাৰৰ নিৰ্বাচনত তেওঁ আম আদমী পাৰ্টীক ভোট দিয়াৰ বিপৰীতে অৰবিন্দ কেজৰিৱালে কংগ্ৰেছক ভোট দিব।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা অমিত শ্বাহে আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজ আৰু জৌনপুৰত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ বিপৰীতে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে আজমগড়, জৌনপুৰ, প্ৰতাপগড় আৰু প্ৰয়াগৰাজ জিলাত নিৰ্বাচনী প্ৰচাৰ চলাব। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱে গাজীপুৰ আৰু বাল্লিয়া জিলাত নিৰ্বাচনী প্ৰচাৰ চলাব। আনহাতে বিৰোধী নেতা ৰাহুল গান্ধী আৰু অখিলেশ যাদৱে প্ৰয়াগৰাজ জিলাত যুটীয়াভাৱে প্ৰচাৰ চলাব। সমাজবাদী পাৰ্টীৰ মুৰব্বী অভিলেখ যাদৱে ইয়াৰ পাছত ফুলপুৰ সমষ্টিতো প্ৰচাৰ চলাব। জ্যেষ্ঠ কংগ্ৰেছ নেতা দ্বিগবিজয় সিঙে মহাৰাজগঞ্জত নিৰ্বাচনী প্ৰচাৰ চলাব।

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনী বিধি ভংগ হোৱা বুলি উঠা অভিযোগৰ ভিত্তিত পশ্চিমবংগৰ বিজেপিৰ সভাপতি সুকান্ত মজুমদাৰলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। বিজেপিয়ে ৫ মে'ত আনন্দবজাৰ আৰু প্ৰতিদিন কাকতত ভোটাদাতা ৰাইজক প্ৰভাৱিত কৰিব পৰা মিছা, বিভ্ৰান্তিকৰ আৰু সত্যাসত্য প্ৰমাণ নোহোৱা বিজ্ঞাপন প্ৰচাৰ কৰা বুলি তৃণমূল কংগ্ৰেছৰ পৰা অভিযোগ লাভ কৰিছিল বুলি আয়োগে প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে এই ক্ষেত্ৰত ২১ মে'ৰ বিয়লি ৫ বজাৰ ভিতৰত শ্ৰীমজুমদাৰৰ পৰা প্ৰত্যুত্তৰ বিচাৰিছে।

০০০০০

কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কৈছে যে, কেন্দ্ৰীয় চৰকাৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত ন্যায় প্ৰদানৰ লক্ষ্যৰে ঔপনিবেশিক যুগৰ ফৌজদাৰী ন্যায় ব্যৱস্থাৰ ৰূপান্তৰ সাধন কৰিছে। আই আই টি গুৱাহাটীত কালি আয়োজিত ফৌজদাৰী ন্যায় ব্যৱস্থাৰ প্ৰশাসনত ভাৰতত প্ৰগতিশীল পথ শীৰ্ষক সন্মিলনত ভাষণ দি তেওঁ এইদৰে কয়। তেওঁ ফৌজদাৰী ন্যায় ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰয়োজনীয় পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰি এনে ধৰণৰ ব্যৱস্থাসমূহ ঔপনিবেশিক শাসকসকলে প্ৰৱৰ্তন কৰিছিল আৰু ইয়াত ভাৰতীয় নীতি আৰু স্বকীয়তাৰ অভাৱ দেখা গৈছিল বুলি প্ৰকাশ কৰে। বৃটিছে ভাৰতীয় সকলক শাস্তি প্ৰদানৰ বাবে এনে ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল যদিও বৰ্তমান চৰকাৰে জনসাধাৰণক ন্যায় প্ৰদানৰ প্ৰয়াস চলাইছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমেঘৱালে কয় যে, নতুন আইনসমূহ যেনে ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ জনসাধাৰণ কেন্দ্ৰিক তথা কেন্দ্ৰীয় চৰকাৰে দেশক দ্ৰুত উন্নয়নৰ দিশে অগ্ৰসৰ হোৱাৰ সঠিক সময়তে ইয়াক প্ৰৱৰ্তন কৰিছে।

০০০০০

দিল্লীৰ এখন জিলা আদালতে মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ঘনিষ্ঠ সহযোগী বিভৱ কুমাৰক ৫ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে। আম আদমী পাৰ্টীৰ ৰাজ্যসভাৰ সাংসদ স্বাতী মালিৱালক দুৰ্ব্যৱহাৰ কৰাৰ ঘটনা সংক্ৰান্তত শ্ৰীকুমাৰক গ্ৰেপ্তাৰ কৰাৰ পাছতেই তেওঁক আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হয়। কালি নিশা বিভৱ কুমাৰক তিছ হাজাৰী আদালতত হাজিৰ কৰোৱা হয়। মেট্ৰ'পলিটান দণ্ডাধীশ গৌৰৱ গোৱেলে কুমাৰক সোধা-পোছাৰ বাবে ৫ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণৰ নিৰ্দেশ দিয়ে। আৰক্ষীৰ জিম্মাৰ ম্যাদ শেষ হোৱাৰ পাছত অহা ২৩ মে'ত তেওঁক পুনৰ আদালতত হাজিৰ কৰোৱাৰ কথা আছে।

ইয়াৰ পূৰ্বে শ্ৰীমতী মালিৱালে যোৱা ১৩ মেত কেজৰিৱালৰ বাসগৃহত তেওঁক আতিশায্য চলোৱা বুলি অভিযোগ তুলি বিভৱ কুমাৰৰ বিৰুদ্ধ অভিযোগ দাখিল কৰিছিল। বিভৱ কুমাৰেও ঘটনাৰ দিনা মুখ্যমন্ত্ৰীৰ বাসগৃহত অবৈধভাৱে প্ৰৱেশ কৰাৰ অভিযোগ তুলি শ্ৰীমতী মালিৱালৰ বিৰুদ্ধে আন এটা অভিযোগ দাখিল কৰিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত বেংগালুৰৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ২৭ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৫টা উইকেট হেৰুৱাই ২১৮ ৰান সংগ্ৰহ কৰে। অৱশ্যে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰতিযোগিতাত বৰ্তি থাকিবলৈ চেন্নাই ছুপাৰ কিংছক ২০১ ৰানতে সীমাবদ্ধ ৰখাৰ প্ৰয়োজন আছিল। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ ফাফ ডু প্লেছিছে ৩৯টা বলত ৫৪ ৰান কৰাৰ বিপৰীতে বিৰাট কোহলীয়ে ২৯টা বলত ৪৭ ৰান কৰে। প্ৰত্যুত্তৰত, চেন্নাই ছুপাৰ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৰাচিন ৰবীন্দ্ৰৰ ৬১ ৰানৰ সহায়ত ৭ উইকেটৰ বিনিময়ত ১৯১ ৰান সংগ্ৰহ কৰে আৰু শীৰ্ষৰ ৪টা দলৰ পৰা বাহিৰ হয়। এই জয়ৰ জৰিয়তে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে কলকাতা নাইট ৰাইডাৰ্ছ, ৰাজস্থান ৰয়েলছ আৰু ছান ৰাইজাৰ্ছ হায়দৰাবাদৰ সৈতে প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰে। প্লে অফ পৰ্যায়ৰ খেলসমূহ ২১ মে'ত আৰম্ভ হ'ব।

০০০০০

ভাৰতৰ বিক্ৰান্ত মালিকে পৰ্টুগালৰ লিছবনত অনুষ্ঠিত মিটিং সিডেড দি লিছবোৱা ২০২৪ এথলেটিকছ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰ'ত খিতাপ অৰ্জন কৰিছে। বিক্ৰান্তে নিজৰ তৃতীয় প্ৰয়াসত ৮০ দশমিক ৩-০ মিটাৰ দলিয়াই এই খিতাপ অৰ্জন কৰে। ২৮ বছৰীয়া মালিকে প্ৰথম আৰু দ্বিতীয় প্ৰয়াসত ক্ৰমে ৭১ দশমিক ৭-৩ আৰু ৭৪ দশমিক ২-৩ মিটাৰ দলিয়াই নিজৰ শিতানত আধিপত্য বৰ্তাই ৰাখে। ইপিনে পুৰুষৰ শ্ব'টপুটত ভাৰতৰ ধনবীৰ সিঙে দ্বিতীয় স্থান দখল কৰে। পুৰুষৰ হেমাৰ থ্ৰ'ত ধনমিত সিঙে ৬৫ দশমিক ৯-৪ মিটাৰ দলিয়াই তৃতীয় স্থানত থাকে।

০০০০০

কিৰ্গিস্তানৰ বিদেশ মন্ত্ৰালয়ে কৈছে যে, বিছকেক চহৰখনৰ পৰিস্থিতি বৰ্তমান শান্তিপূৰ্ণ আৰু সম্পূৰ্ণ নিয়ন্ত্ৰণৰ অধীনত আছে আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰা তথা শান্তি আৰু স্থিৰতা বৰ্তাই ৰখাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰা হৈছে। এটা বিবৃতিযোগে বিদেশ মন্ত্ৰালয়ে কৈছে যে, ধ্বংসকাৰী শক্তিবোৰে বিদেশৰ সংবাদমাধ্যম আৰু সামাজিক নেটৱৰ্ক, বিশেষকৈ পাকিস্তানত দেশখনৰ পৰিস্থিতিৰ বিষয়ে অসত্য আৰু ভুৱা তথ্য প্ৰচাৰ কৰি আছে। মন্ত্ৰালয়ে দেশখনৰ বিষয়ে কেৱল চৰকাৰী আৰু নিশ্চিত তথ্যহে প্ৰচাৰ কৰিবলৈ সংবাদমাধ্যম আৰু ব্লগাৰ সকলৰ প্ৰতি আহ্বান জনাইছে।

০০০০০

সমাপ্ত